**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-04-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
**:::::::::::::::::::::::::::::::::::::::::::**

১। ভাৰত আৰু দক্ষিণ কোৰিয়াই আজি ৪ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

২। পশ্চিমবংগত অহা ২৩ এপ্রিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে।

৩। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে সমগ্ৰ দেশতে ঘৰুৱা ৰন্ধন গেছৰ যোগান সুস্থিৰ হৈ আছে বুলি জানিবলৈ দিছে।

৪। জম্মু আৰু কাশ্মীৰৰ উধমপুৰ জিলাত সংঘটিত বাছ দুৰ্ঘটনাত ২১ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ২৯ গৰাকী লোক আহত হৈছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদাৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ মুখামুখি হ'ব।

ooooo

ভাৰত আৰু দক্ষিণ কোৰিয়াই আজি ৪ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ক্ৰীড়া, সংস্কৃতি আৰু লঘু আৰু মজলীয়া উদ্যোগ, ঔদ্যোগিত সহযোগিতা সমিতি প্ৰতিষ্ঠা আদি বিষয়ত এই বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। ভাৰত, দক্ষিণ কোৰিয়া ডিজিটেল মঞ্চৰ পৰিকাথামো আৰু উমৈহতীয়া অৰ্থনৈতিক সহযোগিতা সম্পাদন কৰাৰ বাবেও যুটীয়া চুক্তিত স্বাক্ষৰ কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি লিল জেও মিউঙে আজি নতুন দিল্লীত বাৰ্তালাপ কৰাৰ পাছত এই চুক্তি স্বাক্ষৰ কৰা হয়। এটা প্ৰেছ বিজ্ঞপ্তিত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে গোলকীয় অস্থিৰতাৰ যুগত ভাৰত আৰু দক্ষিণ কোৰিয়াই একেলগে শান্তি আৰু সুস্থিৰতাৰ বাৰ্তা প্ৰেৰণ কৰে। তেওঁ কয়, দুয়োখন দেশে শান্তি, প্ৰগতি আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ উমৈহতীয়া বিষয়সমূহৰ ক্ষেত্ৰত অৱদান আগবঢ়াই যাব। শ্ৰীমোদীয়ে কয়, যে দুয়োখন দেশে পৰৱৰ্তী দশকৰ বাবে সফলতাৰ বুনিয়াদ গঢ়িব। তেওঁ লগতে কয় যে কৃত্ৰিম বুদ্ধিমত্তাৰ অংশীদাৰিত্ব সুদৃঢ় কৰাৰ অৰ্ধপৰিবাহী আৰু তথ্য প্ৰযুক্তি আদিৰ ক্ষেত্ৰত ভাৰত আৰু দক্ষিণ কোৰিয়াৰ মাজত ডিজিটেল মঞ্চ মুকলি কৰি হৈছে। শ্ৰীমোদীয়ে কয়, যে দুয়োখন দেশে ভৱিষ্যত অংশীদাৰিত্বৰ বাবে আস্থা প্ৰকাশ কৰিছে। তেওঁ কয়, যে মাইক্ৰ' ছিপছৰ পৰা জাহাজলৈকে, প্ৰতিভাৰ পৰা প্ৰগতি, মনোৰঞ্জনৰ পৰা শক্তি আদিৰ ক্ষেত্ৰত নতুন সুবিধাৰ অন্বেষণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে আন্তঃৰাষ্ট্ৰীয় সৌৰ গোট আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় পদক্ষেপক দক্ষিণ কোৰিয়াই আজি যোগ দিয়াত সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয়, যে দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ৮ বছৰৰ পাছত ভাৰত ভ্ৰমণ কৰাটো তাৎপৰ্য হিচাপে বিবেচিত হৈছে। শ্ৰীমোদীয়ে কয় যে গণতান্ত্ৰিক প্ৰমূল্য, বজাৰ অৰ্থব্যৱস্থা আৰু দুয়োখন দেশে আইনৰ প্ৰতি সন্মান বৰ্তাই ৰাখে। তেওঁ ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ ক্ষেত্ৰত দুয়োখন দেশৰে চিন্তাধাৰাৰ মিল আছে। হাজাৰ বছৰ ধৰি ভাৰত আৰু দক্ষিণ কোৰিয়াই

সাংস্কৃতিক সম্বন্ধ বৰ্তাই ৰাখিছে। শ্ৰীমোদীয়ে কয় যে ভাৰতীয় চলচ্চিত্ৰ আৰু সংস্কৃতিয়ে ক্ৰমান্বয়ে দক্ষিণ কোৰিয়াত জনপ্ৰিয়তা অৰ্জন কৰিছে। বৰ্তমান ভাৰত আৰু দক্ষিণ কোৰিয়াৰ মাজত দ্বিপাক্ষিক বাণিজ্যই ২৭ বিলিয়ন ডলাৰ স্পৰ্শ কৰিছে আৰু দুয়োখন দেশে লোৱা ভালেমান গুৰুত্বপূৰ্ণ পদক্ষেপৰ ফলত ২০৩০ চনৰ ভিতৰত এই বাণিজ্যই ৫০ বিলিয়ন স্পৰ্শ কৰিব। দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ভাৰত গ্লোবেল চাউথৰ নেতা হিচাপে উদ্ভাসিত হৈ উঠিছে। তেওঁ লগতে কয় যে প্ৰতিৰক্ষা, কৃত্ৰিম বুদ্ধিমত্তা আৰু জাহাজ নিৰ্মাণৰ ক্ষেত্ৰত দুয়োখন দেশে অধিক সহযোগিতা বৃদ্ধি কৰিব। তেওঁ কয় যে গোলকীয় সুৰক্ষা আৰু অৰ্থনীতিৰ ক্ষেত্ৰত মধ্যপ্ৰাচ্যৰ শান্তি আৰু সুস্থিৰতাই এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

০০০০০

পশ্চিমবংগত অহা ২৩ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলে ৰাজ্যখনৰ ভিন ভিন প্ৰান্তত নিৰ্বাচনী সমাৰেশ তথা ৰোড শ্ব'ত অংশ লৈ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাইছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি পূব মেদিনীপুৰত জনসভা আৰু ৰোড শ্ব'ত অংশ লয়। দলৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই বিষ্ণুপুৰ, বাৰৱান আৰু বেহৰামপুৰত প্ৰচাৰ চলায়। একেদৰে বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে আজি বীৰভূম জিলাত কেইবাখনো জনসভা আৰু ৰোড শ্ব'ত অংশ লয়। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি কোচবিহাৰ আৰু শিলিগুড়িত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। তৃণমূল কংগ্ৰেছৰ নেত্ৰী আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে আজি উত্তৰ চৌবিবশ পৰগনা জিলাৰ খাড়দাহাত নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দিয়ে। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিমবংগৰ তমলুক, মেদিনীপুৰকে ধৰি কেইবাটাও অঞ্চলত প্ৰচাৰ সভাত অংশ লয়। উল্লেখযোগ্য যে নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ৩ কোটি ৬০ লাখ ৭৭ হাজাৰ ১৭১ গৰাকী ভোটদাতাই তেওঁলোকৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব।

০০০০০

নিৰ্বাচন আয়োগে নিৰ্বাচন আৰু ভোটগণনা হ'বলগীয়া ৰাজ্যকেইখনৰ ভোটকেন্দ্ৰৰ সমীপৱৰ্তী এলেকাসমূহত যিকোনো ধৰণৰ মাদক দ্ৰব্যৰ বিক্ৰী আৰু মজুতকৰণৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰিছে। এই সময়চোৱাত ভোটগ্ৰহণ কেন্দ্ৰৰ ওচৰৰ হোটেল, ধাবা, দোকান অথবা যিকোনো ধৰণৰ সমুহীয়া আৰু ব্যক্তিগত অনুষ্ঠান প্ৰতিষ্ঠানত কোনো ধৰণৰ মাদক দ্ৰব্য সেৱন আৰু মজুতকৰণৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে। নিৰ্বাচন আয়োগে জানিবলৈ দিয়া মতে ৪ মে'ৰ ভোটগণনাৰ দিনটোও ড্ৰাই দে' ঘোষণা কৰা হৈছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ ওড়িশা ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত এখন জনসভাত উপস্থিত থাকি ৰাষ্ট্ৰপতিগৰাকীয়ে এটা তাৰকা গৃহ আৰু বিজ্ঞান কেন্দ্ৰ তথা নিৰ্মল মুণ্ডা পৰিবেশ পথৰ উদ্বোধন কৰিব। ইয়াৰ লগতে ৰাষ্ট্ৰপতিগৰাকীয়ে ৰুৰকেলাত এটা জনজাতীয় সংগ্ৰহালয়ৰ লগতে সংহত আদেশ আৰু নিয়ন্ত্ৰণ কেন্দ্ৰ এটাও মুকলি কৰিব।

০০০০০

চৰকাৰে আজি জানিবলৈ দিছে যে সমগ্ৰ দেশতে ঘৰুৱা ৰন্ধন গেছৰ যোগান সুস্থিৰ হৈ আছে। পশ্চিম এছিয়াত অব্যাহত থকা পৰিস্থিতিৰ মাজতে দেশৰ ৰন্ধন গেছৰ বিতৰকসকলে সুকলমে ৰন্ধন গেছৰ বিতৰণ অব্যাহত

ৰাখিছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ আগত পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ্ মন্ত্ৰালয়ৰ সচিব সুজাতা শৰ্মাই কয় যে চৰকাৰে ঘৰুৱা ৰন্ধন গেছৰ উৎপাদন বৃদ্ধিৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। বিতৰণ প্ৰমাণিকৰণ কোডৰ সহায়ত চৰকাৰে ৯২ শতাংশ ঘৰুৱা ৰন্ধন গেছৰ বিতৰণ কৰিছে। তেওঁ কয় যে বাণিজ্যিক ৰন্ধন গেছৰ বিতৰণো ৭০ শতাংশলৈ বৃদ্ধি হৈছে। বিগত ৫ দিনৰ তথ্য অনুসৰি ৫ কেজি চিলিণ্ডাৰৰ বিক্ৰী প্ৰায় ১ লাখ হৈছে।

বন্দৰ আৰু জাহাজ দপ্তৰৰ সঞ্চালক মনদীপ সিং ৰানধাৱাই জানিবলৈ দিছে যে ভাৰতীয় পতাকা বহন কৰা ৯৭ হাজাৰ মেট্ৰিকটন খাৰুৱা তেল কঢ়িয়াই অনা **দেশ গৰিমা** নামৰ তেল পৰিবাহী জাহাজখনে পৰহি হৰমুজ প্ৰণালী সুকলমে অতিক্ৰম কৰে। বিগত ৪৮ ঘণ্টাত ভাৰতৰ আন দুখন জাহাজো হৰমুজ প্ৰণালীৰে সুকলমে অতিক্ৰম কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ অতিৰিক্ত পাৰচ্যৰ অতিৰিক্ত সচিব এ আৰ মহাজনে কয় যে পাৰচ্য আৰু পশ্চিম এছিয়া অঞ্চলত থকা ভাৰতীয়সকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে চৰকাৰে পৰিস্থিতি অহৰহ নিৰীক্ষণ কৰি আছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা উপদেষ্টা অজিত দোভালে কালি চৌদি আৰৱ ভ্ৰমণ কৰে। তেওঁ দেশখনৰ প্ৰতিৰক্ষা উপদেষ্টা আৰু শক্তি তথা বৈদেশিক মন্ত্ৰীৰ সৈতে অঞ্চলটোৰ শান্তি আৰু দ্বিপাক্ষিক সম্বন্ধৰ বিষয়ে আলোচনা কৰে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰাণৰ মাজত যুদ্ধবিৰতিৰ অনিশ্চয়তাৰ মাজতে ব্ৰিটেইনে কৌশলগতভাৱে অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৰমুজ প্ৰণালীৰে কোনো ধৰণৰ কৰ পৰিশোধ নকৰাকৈ জাহাজৰ আহ-যাহ সূচল কৰিবলৈ আহ্বান জনাইছে। ইংলেণ্ডৰ বৈদেশিক মন্ত্ৰী উভেট কুপাৰে কয় যে কোনো ধৰণৰ বাধাৰ সন্মুখীন নোহোৱাকৈ তেল পৰিবাহী জাহাজ চলাচল সুনিশ্চিত কৰাৰ প্ৰয়াস চলাই থকা হৈছে। যোগান শৃংখলাৰ প্ৰয়োজনীয় সুৰক্ষাৰ বাবে আৰু  বাধাগ্ৰস্ত নোহোৱাকৈ শক্তিৰ আদান প্ৰদান নিশ্চয়তাৰ বাবে আন্তঃৰাষ্ট্ৰীয় আইনৰ ক্ষেত্ৰত গোলকীয় প্ৰয়াসৰ প্ৰয়োজন।

ooooo

ইৰাণে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে দ্বিতীয়লানি শান্তি বাৰ্তা কৰিবলৈ অস্বীকাৰ কৰিছে। ইৰাণৰ বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰগৰাকীয়ে জানিবলৈ দিছে যে আমেৰিকা যুক্তৰাষ্ট্ৰই হৰমুজ প্ৰণালীত ইৰাণৰ পতাকা বহন কৰা এখন মালবাহী জাহাজ জব্দ কৰাৰ পাছত কোনো ধৰণৰ নতুন আলোচনা অনুষ্ঠিত কৰাৰ পৰিকল্পনা নাই। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰাণৰ সৈতে সম্ভৱপৰ আলোচনা কৰাৰ বাবে ইছলামাবাদলৈ এটা দল প্ৰেৰণ কৰা বুলি ঘোষণা কৰাৰ কেইঘণ্টামানৰ পাছতে এই আক্ৰমণ কৰে। ইৰাণৰ চৰকাৰী সংবাদ প্ৰতিষ্ঠান **আই আৰ এন এ** এই কথা জানিবলৈ দিছে।

ooooo

ভাৰতীয় ৰে'লে সমগ্ৰ দেশতে অনাগত ৩ মাহত ১৮ হাজাৰ ২৬২ টা ৰেলযাত্ৰাৰ পৰিকল্পনা কৰিছে। এই পৰিকল্পনাই বৰ্ধিত হাৰৰ যাত্ৰীসকলৰ দাবী পূৰণ কৰাৰ লগতে এটা মসৃন আৰু সুবিধাজনক ভ্ৰমণ অভিজ্ঞতাৰ সুবিধা সামৰি লোৱাৰ প্ৰয়াস কৰিব। গ্ৰীষ্মকালৰ এই সময়ছোৱাত দেশৰ প্ৰায়বিলাক অঞ্চল সামৰি বৃহৎ পৰিসৰৰ ৰে'ল সেৱা যাত্ৰীসকললৈ আগবঢ়াব। ৰে'ল বিভাগে জানিবলৈ দিয়া অনুসৰি চলিত বৰ্ষৰ ১৫ এপ্ৰিলৰ পৰা ১৫ জুলাইলৈকে এই বিশেষ ৰেলসেৱা আগবঢ়োৱা হ'ব।

ooooo

জম্মু আৰু কাশ্মীৰৰ উধমপুৰ জিলাত আজি পাহাৰৰ পৰা এখন বাছ্ নামনিলৈ বাগৰি পৰাত কমেও ২১ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ২৯ গৰাকী লোক আহত হৈছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জানিবলৈ দিয়া মতে, ৰামনগৰ অঞ্চলত আজি পুৱা প্ৰায় ১০ বজাত এটা কেকুৰি অতিক্ৰম কৰাৰ সময়তে বাছখন দুৰ্ঘটনাগ্ৰস্ত হয়। বাছখনত ৫০ গৰাকী লোক আছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি ভালেমান নেতাই এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে নিহতসকলৰ পৰিয়ালবৰ্গলৈ ২ লাখ টকাকৈ আৰু আহতসকলৰ বাবে ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী ওমৰ আব্দুলাইও নিহত লোকৰ পৰিয়াললৈ ২ লাখ টকাকৈ এককালীন সাহায্য ঘোষণা কৰাৰ লগতে গুৰুতৰভাৱে আহত লোকৰ বাবে ১ লাখ আৰু সামান্যভাৱে আঘাতপ্ৰাপ্ত লোকলৈ ২৫ হাজাৰ টকাকৈ এককালীন সাহায্য ঘোষণা কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদাৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ